**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-03-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছ দলে আজি তৃতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। দলটোৱে মুঠ ২২ টা সমষ্টিত প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। ইয়াৰে কোকৰাঝাৰত মাণিক চন্দ্ৰ ব্ৰহ্ম, বাওখুংগ্ৰিত চপালি মাৰাক, পৰ্বতঝোৰাত মহম্মদ আশ্ৰাফুল ইছলাম শ্বেইখ, ধুবুৰীত বেবি বেগম, জলেশ্বৰত আফতাবউদ্দিন মোল্লা, অভয়াপুৰীত প্ৰদীপ সৰকাৰ, ছিদলী-চিৰাঙত মতিলাল নাৰ্জাৰী, চেঙাত আব্দুৰ ৰহিম আহমেদ, পকাবেতবাৰীত জাকিৰ হুছেইন শিকদাৰ, বাক্সাত জগদীশ মদাহী, তামুলপুৰত ৰাফেল দৈমাৰী, ওডালগুৰিত সুৰেন দৈমাৰী, লাহৰীঘাটত ডাঃ আছিফ মহম্মদ নাজাৰ, নগাঁও-বটদ্ৰৱাত ডাঃ দুৰ্লভ চমুৱা, নদুৱাৰত সুনীল ছেত্ৰী, ৰঙানদীত জয়ন্ত খাউণ্ড, লখিমপুৰত ঘন বুঢ়াগোহাঁই, ঢকুৱাখনাত আনন্দ নৰহ, মাকুমত শিৱনাথ চেতিয়া, খুমটাইত ৰোজলীনা তিৰ্কি, হাওৰাঘাটত সঞ্জীৱ তেৰন আৰু আলগাপুৰ-কাটলিচেৰা সমষ্টিত জুবেয়াৰ আনম মজুমদাৰক প্ৰাৰ্থীত্ব দিয়া হৈছে।

ইপিনে, ২৬টা সমষ্টি বিজেপিয়ে মিত্ৰদল অসম গণ পৰিষদক এৰি দিয়াৰ পাছত অসম গণ পৰিষদ দলে প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। এই অনুসৰি বোকাখাট সমষ্টিত অতুল বৰা, কলিয়াবৰত কেশৱ মহন্ত, বঙাইগাঁৱত দিপ্তীময়ী চৌধুৰী, বৰপেটাত কুমাৰ দীপক দাস, তিয়কত বিকাশ শইকীয়া, ডিমৰীয়াত ডাঃ তাপন দাস, তেজপুৰত পৃথ্বীৰাজ ৰাভা, বজালীত ধৰ্মেশ্বৰ ৰয়, হাজো-শুৱালকুছিত প্ৰকাশ চন্দ্ৰ দাস, শিৱসাগৰত প্ৰদীপ হাজৰিকা, নাওবৈচাত বসন্ত দাস, বিলাসীপাৰাত জীবেশ ৰায়, সোণাইত কৰিমুদ্দিন বৰভূঞা, দক্ষিণ কৰিমগঞ্জত ইকবাল হুছেইন, মানকাচৰত জাবেদ ইছলাম, পূব-গোৱালপাৰাত আব্দুল ৰহিম জিব্ৰান, আলগাপুৰ-কাটলিচাৰাত জাকিৰ হুছেইন লস্কৰ, বিন্নাকান্দিত চাহাবুদ্দিন মজুমদাৰ, ৰূপহীহাটত জাকিৰ হুছেইন ফাৰাজি, সৃজনগ্ৰামত ছাহিদুল ইছলাম, লাহৰীঘাটত খলিলুল ৰহমান, চেঙাত ছাদ্দাম হুছেইন, পকাবেটবাৰীত ড০ তাৰাপ্ৰসাদ দাস, চমৰীয়াত নুৰুল ইছলাম, জলেশ্বৰত আবুশ্বাহ চৌদি হুছেইন আৰু গৌৰীপুৰ সমষ্টিত মহতেবুল হকক প্ৰাৰ্থীত্ব দিয়া হৈছে। একেদৰে এ আই ইউ ডি এফেও আজি ছজনীয়া প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে। ইয়াৰে জলেশ্বৰ সমষ্টিত শ্বেইখ ছাহ আলম, বীৰসিং-জাৰোৱাত আলী আকবৰ মিঞা, মানকাচৰত আব্দুল চালাম শ্বাহ, ভৱানীপুৰ-সৰভোগত ফৰহাদ আলী, সোণাইত মিনাৰ হুছেইন মাজাৰ ভূঞা আৰু উত্তৰ-কৰিমগঞ্জ সমষ্টিত চৌধুৰী হিববুৰ ৰছুল ওছামা মাবুৰুৰক প্ৰাৰ্থীত্ব দিয়া হৈছে।

ইউ পি পি এলে আজি ৫ জন প্ৰাৰ্থীৰ নাম সম্বলিত তৃতীয়খন তালিকা প্ৰকাশ কৰে। দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰাজু কুমাৰ নাৰ্জাৰীয়ে এখন সংবাদমেলত প্ৰকাশ কৰা মতে বাউখুংগ্ৰী সমষ্টিত ইউ পি পি এলৰ মহিলা গোটৰ কেন্দ্ৰীয় সভানেত্ৰী প্ৰতিভা ব্ৰহ্ম, পৰ্বতঝোৰা সমষ্টিত আয়ুব হুছেইন মণ্ডল, চিদলী সমষ্টিত

প্ৰাক্তন পাৰিষদ ৰঞ্জিত বসুমতাৰী, গোৰেশ্বৰত পবিত্ৰ বড়ো আৰু মাজবাটত ৰবীন্দ্ৰ বসুমতাৰীক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে।

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে আজি ৮৮ জনীয়া প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। ৬ গৰাকী মহিলা প্ৰাৰ্থীৰ নামৰ সৈতে প্ৰকাশিত এই তালিকাত বহু কেইগৰাকী বিধায়কৰ প্ৰাৰ্থিত্ব কৰ্তন কৰা হৈছে। দলৰ সভাপতি নীতিন নবীনৰ অধ্যক্ষতাত অনুষ্ঠিত বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ সিদ্ধান্ত অনুসৰি জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জালুকবাৰীৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়াব। লোকসভাৰ প্ৰাক্তন সাংসদ ড° ৰাজদীপ ৰয়ে শিলচৰৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে ৰাজ্যসভাৰ বৰ্তমানৰ সাংসদ ৰামেশ্বৰ তেলীয়ে দুলীয়াজানৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়াব। বিজেপিৰ প্ৰাক্তন ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসে ভৱানীপুৰ-সৰভোগ সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়োৱাৰ সমান্তৰালকৈ বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে তামুলপুৰ সমষ্টিৰ পৰা নিৰ্বাচন খেলিব।

বিজেপিত নতুনকৈ যোগদান কৰা প্ৰদ্যুৎ বৰদলৈক দিছপুৰ সমষ্টিত প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। নিউ গুৱাহাটীত দিপ্লু ৰঞ্জন শৰ্মা, মধ্য গুৱাহাটীত বিজয় কুমাৰ গুপ্তা, ৰঙিয়াত ভবেশ কলিতা, নলবাৰীত জয়ন্ত মল্ল বৰুৱা, জাগীৰোডত পীযূষ হাজৰিকা, মৰিগাঁৱত ৰমাকান্ত দেউৰী, নগাঁও বটদ্ৰৱাত ৰূপক শৰ্মা, নদুৱাৰত পদ্ম হাজৰিকা, মঙলদৈত নীলিমা দেৱী, বিহপুৰীয়াত ভূপেন বৰা, লখিমপুৰত মানৱ ডেকা, ঢকুৱাখনাত নৱ কুমাৰ দলে, ধেমাজিত ডা০ ৰণোজ পেগু, ডিব্ৰুগড়ত প্ৰশান্ত ফুকন, টিংখঙত বিমল বৰা, নাহৰকটীয়াত তৰংগ গগৈ, ডিমৌত সুশান্ত বৰগোহাঁই, মাজুলীত ভূবন গাম, যোৰহাটত হিতেন্দ্ৰ নাথ গোস্বামী, মৰিয়নিত ৰূপজ্যোতি কুৰ্মী, গোলাঘাটত অজন্তা নেওগ, খুমটাইত মৃণাল শইকীয়া, সৰুপথাৰত বিশ্বজিৎ ফুকন, ৰংখাঙত তুলিৰাম ৰংহাং, লক্ষীপুৰত কৌশিক ৰায়, পাথাৰকান্দিত কৃষ্ণেন্দু পাল, কাটিগড়াত কমলাক্ষ দে পুৰকায়স্থক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে।

০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে আজি ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ ভিতৰত সাতটা সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰা হয়। ইয়াৰ ভিতৰত ৰূপহীহাট, যোৰহাট আৰু বোকাখাট সমষ্টিৰ পৰা তিনিগৰাকী প্ৰাৰ্থীয়ে দুখনকৈ মনোনয়নপত্ৰ দাখিল কৰাৰ ফলত মুঠ মনোনয়ন পত্ৰৰ সংখ্যা ১০ খন হয়। ইয়াৰে মন্দিয়া, কমলপুৰ, বোকাখাট, ডিফু, দক্ষিণ কৰিমগঞ্জ সমষ্টিত এখনকৈ আৰু ৰূপহীহাট, যোৰহাট আৰু বোকাখাট সমষ্টিত দুখনকৈ মনোনয়ন পত্ৰ দাখিল কৰা হয়। উল্লেখযোগ্য যে অহা ২৩ মাৰ্চ মনোনয়ন পত্ৰ দাখিল অন্তিম দিন।

০০০০

বিশিষ্ট কণ্ঠশিল্পী জিতুল সোণোৱালৰ মাতৃ হেমকান্তি সোণোৱালৰ আজি ডিব্ৰুগড়ৰ বৈৰাগীমঠৰ বাসভৱনত মৃত্যু হয়। যোৱা কিছুদিন ধৰি ৰোগত আক্ৰান্ত হৈ থকা হেমকান্তি সোণোৱালৰ মৃত্যুৰ সময়ত বয়স আছিল ৭৯ বছৰ। ভালেসংখ্যক আত্মীয়, গুণমুগ্ধ আৰু শুভকাংক্ষীৰ উপস্থিতিত চিৰিং চাপৰিৰ ৰাজহুৱা শ্মশানত কিছু সময় পূৰ্বে প্ৰয়াত হেমকান্তি সোণাৱালৰ শেষকৃত্য সম্পন্ন হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ